# অসম আদিত্য

RNI REG

Portal

e-mail

৭ কাতি, ১৯৪৬ শক ■ বৃহস্পতিবাৰ, ২৪ অক্টোবৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Thursday, October 24, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা


জিলা সাহিত্য সভাৰ শিশু সাহিত্য বঁটা লাভ    লগতে স্বৰ্গগতগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়।

### অসমৰ প্ৰতিখন কলেজত ফ'ৰাম গঠন কৰাৰ পোষকতা অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ

# ডিব্ৰুগড় মাণ্ডলিক কুইজত কানৈ মহাবিদ্যালয় শ্ৰেষ্ঠ



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৩ অক্টোবৰ ঃ** অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ মহিলা কোষৰ উদ্যোগত আৰু ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত অনুষ্ঠিত ডিব্ৰুগড় মাণ্ডলিক আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত ডিএইচএছ কানৈ মহাবিদ্যালয়ে প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰাৰ লগতে ডিব্ৰু মহাবিদ্যালয়ৰ দলটিয়ে তৃতীয় শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে। অসম কলেজ শিক্ষক সংস্থা কানৈ মহাবিদ্যালয় গোটৰ দ্বাৰা আজি মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত আয়োজন কৰা প্ৰতিযোগিতাখনিত সভাপতিত্ব কৰে কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ সভাপতি ড০ চন্দনা গোস্বামীয়ে। অসম কলেজ শিক্ষক সংস্থা কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড০ উত্তম মহনে আঁতধৰা অনুষ্ঠানটি উদ্বোধন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই কয়— ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ বাবে এনেধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাতো অতি প্ৰয়োজনীয়। লগতে অধ্যক্ষগৰাকীয়ে অসমৰ প্ৰতিখন মহাবিদ্যালয়তে একোখন কুইজ ফ'ৰাম গঠন কৰাৰ পোষকতা কৰে। ডিব্ৰুগড় মণ্ডলৰ অন্তৰ্গত ১৪ খন মহাবিদ্যালয়ৰ মুঠ ১৬ টা দলে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনি পৰিচালনা কৰে ধেমাজি কুইজ ফ'ৰামৰ সভাপতি তথা চিলাপথাৰ ৰেচিডেনচিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহঃশিক্ষক চিৰঞ্জীৱ শইকীয়াই। অনুষ্ঠানটিত অসম কলেজ শিক্ষক সংস্থাৰ শৈক্ষিক সম্পাদক ড০ বিজু মৰাণ, অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড০ দীপঙ্কজ গগৈ, ডিব্ৰুগড় মণ্ডলৰ সভাপতি ড০ দীলিপ বনিয়া, সম্পাদক কল্পনা বৰা, মহিলা কোষৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য অনুমণি গগৈ, মাণ্ডলিক মহিলা কোষৰ সম্পাদক ড০ পদ্মা দত্ত, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামীকে ধৰি ডিব্ৰুগড় মণ্ডলৰ মহাবিদ্যালয়সমূহৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজি বিজয়ী শ্ৰেষ্ঠ দলটিয়ে অসম কলেজ শিক্ষক সংস্থাৰ মহিলা কোষে আয়োজন কৰিবলগীয়া ৰাজ্যিক পৰ্যায়ৰ আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে যোগ্যতা অৰ্জন কৰে। শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে।